# **REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 10-12-2024
**Time :** 21-25 Hrs

***Assamese Night Bulletin***
**:::::::::::::::::::::::::::::::**

ঐতিহাসিক অসম আন্দোলনৰ ৮৬০ গৰাকী ছহিদলৈ শ্ৰদ্ধাঞ্জলি জনোৱাৰ উদ্দেশ্যে আজি ৰাজ্যজুৰি ছহিদ দিৱস পালন কৰা হয়।

**শোণিতপুৰ** জিলাৰ জামুগুৰিহাটত আজি ভাৰতীয় জনতা যুৱ মৰ্চা, অসম প্ৰদেশৰ উদ্যোগত কেন্দ্ৰীয়ভাৱে আয়োজিত ছহিদ দিৱসত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই অংশগ্ৰহণ কৰি ১৫৯টা ছহিদ পৰিয়ালক সম্বৰ্ধনা জনায়। মুখ্যমন্ত্ৰীয়ে অসম আৰু অসমীয়াৰ অস্তিত্ব ৰক্ষাৰ বাবে আত্মবলিদান দিয়া অসম আন্দোলনৰ ছহিদসকলৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। অসমৰ জাতীয় জীৱনৰ জটিল সন্ধিক্ষণত সূত্ৰপাত হোৱা অসম আন্দোলনে দীৰ্ঘকাল ধৰি ৰাজ্যৰ ইতিহাসত নিৰ্ণায়ক ভূমিকা গ্ৰহণ কৰি আহিছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰী শৰ্মাই এই আন্দোলনৰ ছহিদসকলৰ আদৰ্শৰে সকলোকে আগুৱাই যোৱাত গুৰুত্ব আৰোপ কৰে।

অনুষ্ঠানত অসম গণ পৰিষদৰ সভাপতি অতুল বৰাৰ লগতে ভালেকেইগৰাকী মন্ত্ৰী আৰু সাংসদে অংশগ্ৰহণ কৰে।

অসম আন্দোলনৰ অন্যতম উদ্যোক্তা সদৌ অসম ছাত্ৰ সন্থাই আজি **গোৱালপাৰা** জিলাৰ বগুৱান উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰত ছহিদ দিৱস পালন কৰে। সদৌ অসম ছাত্ৰ সন্থাৰ সভাপতি উৎপল শৰ্মাই পতাকা উত্তোলনেৰে শুভাৰম্ভ কৰা এই কাৰ্যসূচীৰ আৰম্ভণিতে ছহিদ খৰ্গেশ্বৰ তালুকদাৰৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ কৰা হয়। তদুপৰি অসম আন্দোলনৰ ৮৬০ গৰাকী ছহিদৰ স্মৃতিত বন্তি প্ৰজ্বলন কৰা হয়। কাৰ্যসূচীৰ লগত সংগতি ৰাখি সৰ্বধৰ্মীয় প্ৰাৰ্থনাও অনুষ্ঠিত হয়।

০০০০

ৰাজ্যৰ বিভিন্ন প্ৰান্তত আজি ভাষাৰ ওজা হেমচন্দ্ৰ বৰুৱাৰ ১৯০ সংখ্যক জয়ন্তী পালন কৰা হয়। জয়ন্তীৰ সৈতে সংগতি ৰাখি ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ জ্যোতি বাটচ'ৰাৰ দাঁতিত প্ৰয়াত বৰুৱাদেৰৰ ব্ৰঞ্জৰ এটা পূৰ্ণাৱয়ব প্ৰতিমূৰ্তি উন্মোচন কৰা হয়। অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি তথা বিশিষ্ট সাহিত্যিক ড০ নগেন শইকীয়াই এই প্ৰতিমূৰ্তিটো উন্মোচন কৰে। ইলোৰা বিজ্ঞান মঞ্চই ৰাজ্যৰ বিভিন্ন স্থানত হেমচন্দ্ৰ বৰুৱাৰ জন্মদিনটো কুসংস্কাৰ বিৰোধী দিৱস হিচাপে পালন কৰে। গুৱাহাটী বিশ্ববিদ্যালয়ত এই উপলক্ষে আয়োজিত কাৰ্যসূচীত হেমকোষৰ স্ৰষ্টাগৰাকীৰ প্ৰতিমূৰ্তিত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হয়। এই কাৰ্যসূচীত গুৱাহাটী বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক, গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ৰ উপাধ্যক্ষৰ লগতে ইলোৰা বিজ্ঞান মঞ্চৰ সভাপতি আৰু অন্যান্য কেইবাগৰাকীও আগশাৰীৰ লোক উপস্থিত থাকে।

০০০০

সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেণ ৰিজিজুৱে সদনৰ কাম-কাজ পৰিচালনা কৰাৰ ক্ষেত্ৰত পক্ষপাতিত্ব কৰা বুলি অভিযোগ তুলি ৰাজ্যসভাৰ সভাপতি জগদীপ ধনখড়ৰ বিৰুদ্ধে অনাস্থা প্ৰস্তাৱৰ জাননী দাখিল কৰাৰ বাবে বিৰোধী পক্ষক তীব্ৰ সমালোচনা কৰিছে। নতুন দিল্লীত আজি সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত শ্ৰীৰিজিজুৱে কয়, যে কংগ্ৰেছ আৰু ইয়াৰ মিত্ৰ দলসমূহে সভাপতিৰ নিৰ্দেশনা অমান্য কৰি তেওঁলৈ অসন্মান প্ৰদৰ্শন কৰিছে। বিৰোধী পক্ষই সদনত গঠনমূলক ভূমিকা পালন নকৰা বুলিও শ্ৰীৰিজিজুৱে অভিযোগ তোলে। তেওঁ কয়, যে বিৰোধী পক্ষই লোকসভাৰ অধ্যক্ষ আৰু ৰাজ্যসভাৰ সভাপতিৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰা উচিত।

ooooo

বাক্সা জিলাৰ আয়ুক্ত গৌতম দাসে আজি গ্ৰাম্য কৃষি কৰ্মৰ অভিজ্ঞতা কাৰ্যসূচীৰ অংশ হিচাপে অসম কৃষি বিশ্ববিদ্যালয়ৰ স্নাতক শাখাৰ শিক্ষাৰ্থীসকলে আয়োজন কৰা কৃষি প্ৰদৰ্শনীত অংশ লয়। এই উপলক্ষে শ্ৰীদাসে কয়, যে এই প্ৰদৰ্শনীৰ বাবে জিলাখনে প্ৰথমবাৰৰ বাবে গ্ৰাম্য কৃষি কৰ্ম অভিজ্ঞতা কাৰ্যসূচীৰ বাবে বাচনি লাভ কৰিছে। এই কাৰ্যসূচীৰ অধীনত যোৱা ১৭ আগষ্টৰ পৰা বৰমা গাওঁত ২৭ জন শিক্ষাৰ্থী নিয়োজিত হৈ আছে বুলিও তেওঁ জানিবলৈ দিয়ে।

oooo

মন্ত্ৰীসভাৰ নিযুক্তি কমিটিয়ে ততালিকে কাৰ্যকৰী হোৱাকৈ অৰ্থনৈতিক পৰিক্ৰমা বিভাগৰ সচিব অজয় শেঠক ৰাজহ বিভাগৰ  সচিব পদৰ অতিৰিক্ত দায়িত্ব অৰ্পন কৰিছে। তেওঁ নিয়মীয়া নিযুক্তি নিদিয়ালৈকে বা পৰৱৰ্তী নিৰ্দেশ জাৰি নকৰালৈকে এই পদত থাকিব।

oooo

প্ৰশান্ত ফুকনে আজি ৰাজ্যৰ শক্তি মন্ত্ৰী হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰে। কাৰ্যভাৰ গ্ৰহণ কৰাৰ পূৰ্বে মন্ত্ৰীগৰাকীয়ে কামাখ্যা মন্দিৰ দৰ্শন কৰি দেৱীৰ আশীষ গ্ৰহণ কৰে। কাৰ্যভাৰ গ্ৰহণ কৰাৰ পাছত সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত মন্ত্ৰীগৰাকীয়ে কয় যে ৰাজ্য চৰকাৰে ২৪ ঘণ্টাই বিদ্যুৎ যোগান সুনিশ্চিত কৰাত অগ্ৰাধিকাৰ দিছে। তেওঁ কয় যে, শক্তি বিভাগে সমগ্ৰ ৰাজ্যৰ বিদ্যুৎ যোগান উন্নত কৰাৰ উদ্দেশ্যে বিগত কেইটামান বছৰত ভালেমান পদক্ষেপ লৈছে। তেওঁ লগতে সমগ্ৰ ৰাজ্যৰ নিৰৱচ্ছিন্ন বিদ্যুৎ যোগানৰ বিষয়ে আলোচনা কৰাৰ বাবে অনাগত কেইটামান দিনত শক্তি বিভাগৰ  শীৰ্ষ বিষয়াসকলৰ সৈতে আলোচনাত মিলিত হ'ব।

oooo

অসম আৰক্ষীৰ দুৰ্নীতি নিবাৰক আৰু তদাৰকী শাখাই আজি উৎকোচ লোৱাৰ অভিযোগত দৰং জিলাৰ দলগাওঁ থানাৰ গাওঁৰক্ষী সংগঠনৰ চক্ৰ সংগঠক কুশল মেধীক গ্ৰেপ্তাৰ কৰে। দুৰ্নীতি নিবাৰক  শাখাৰ আৰক্ষীয়ে গাওঁৰক্ষী সংগঠনত অনুমোদন জনোৱাৰ নামত উৎকোচ লোৱাৰ সময়তে দলগাওঁ চক্ৰাগাওঁৰ পৰা চক্ৰ সংগঠকজনক হাতে লোটে গ্ৰেপ্তাৰ কৰে।

oooo

সমাপ্ত